**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-02-2025
**Time :** 1340 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**:::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তঃৰাষ্ট্ৰীয় শক্তি কেন্দ্ৰ হিচাপে ভাৰতৰ উত্থান ঘটাৰ পৰিপ্ৰেক্ষিতত প্ৰত্যেকটো খণ্ডতে প্ৰতিভাবান নেতাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰিছে।

২। কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা দুবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়।

৩। দিল্লীৰ নৱনিযুক্ত মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি লোকনিৰ্মাণ বিভাগ আৰু দিল্লী জল ব'ৰ্ডৰ কাম-কাজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত ভাগ ল'ব।

**আৰু**

৪। আই চি চি চেম্পিয়নছ ট্ৰফীৰ আজি কৰাচীত হ'বলগীয়া গ্ৰুপ বি-ৰ এখন খেলত আফগানিস্তানে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তঃৰাষ্ট্ৰীয় শক্তি কেন্দ্ৰ হিচাপে ভাৰতৰ উত্থান ঘটাৰ পৰিপ্ৰেক্ষিতত প্ৰত্যেকটো খণ্ডতে প্ৰতিভাবান নেতাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ফেৰ মাৰিবলৈ বিশ্বমানৰ নেতা আৰু আন্তঃৰাষ্ট্ৰীয় নেতৃত্বৰ প্ৰয়োজন। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ছ'ল লীডাৰশ্বিপ শীৰ্ষ সন্মিলনৰ প্ৰথম সংস্কৰণ মুকলি কৰি প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰীমোডীয়ে উল্লেখ কৰে যে এই শীৰ্ষ সন্মিলনে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পাৰদৰ্শিতা দেখুওৱা নেতাসকলক আৰু অধিক দৃঢ়, কাৰ্যক্ষম আৰু দূৰদৰ্শী কৰি তুলিব। ৰাষ্ট্ৰ গঠনৰ বাবে নাগৰিকৰ উন্নয়ন অধিক গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ কয়, যে বিকশিত ভাৰতৰ যাত্ৰাৰ দিশত স্কুল অৱ আলটিমেট লীডাৰশ্বিপ স্থাপন কৰাটো হৈছে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

এই সন্মিলনত অংশগ্ৰহণ কৰি ভূটানৰ প্ৰধানমন্ত্ৰী ডাশ্বো ছেৰিং টোবগেই কয়, যে ছ'ল হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মানস পুত্ৰ স্বৰূপ আৰু বিশ্বস্ত নেতা সৃষ্টি কৰাত এয়া হৈছে প্ৰধানমন্ত্ৰীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ আন এটা উল্লেখনীয় দিশ।

এই দুদিনীয়া শীৰ্ষ সন্মিলনে ৰাজনীতি, ক্ৰীড়া, কলা আৰু সংবাদ মাধ্যম, আধ্যাত্মিক জগত, ৰাজহুৱা নীতি, ব্যৱসায় আৰু সামাজিক খণ্ডৰ দৰে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক নিজৰ প্ৰেৰণাদায়ক জীৱনযাত্ৰাৰ কথা ভগাই লোৱাৰ মঞ্চ প্ৰদান কৰিব। সন্মিলনখনে সহযোগিতা আৰু চিন্তাধাৰাকেন্দ্ৰিক নেতৃত্বৰ বাবে অনুকূলতন্ত্ৰৰ প্ৰসাৰত সহায় কৰিব। ইয়াৰ জৰিয়তে বিফলতা আৰু সফলতা উভয়ৰে পৰা

শিক্ষা লাভৰ সুযোগ পোৱা যাব। এনে শিক্ষাই সন্মিলনত ভাগ লোৱা যুৱ শ্ৰোতাসকলক অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

oooooooo

কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা দুবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ বিধায়কসকলে এই ঘটনা সন্দৰ্ভত সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই ঘটনাৰ বিষয়ত পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব বুলি উল্লেখ কৰি সদনৰ কাম-কাজ চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ বিৰোধী সদস্যসকলক আহ্বান জনায়। বিৰোধী সদস্যসকলে এই ঘটনাৰ সৈতে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয় জড়িত হৈ আছে বুলি উল্লেখ কৰি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত অধ্যক্ষই দহ মিনিটৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখে। সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক আক্ৰমণৰ বিষয়টো পুনৰ সদনত উত্থাপন কৰাত কংগ্ৰেছৰ সদস্যসকলে ইয়াৰ প্ৰতি সমৰ্থন আগবঢ়ায়। বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই পুনৰ পাঁচ মিনিটৰ বাবে সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখে।

সদন পুনৰ মিলিত হোৱাৰ সময়ত মন্ত্ৰী কেশৱ মহন্তই ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কৰ্তন প্ৰস্তাৱ উত্থাপন কৰে যদিও পৰিস্থিতি উন্নত নোহোৱাত এই বিষয়ে আলোচনা কৰিব পৰা নহ'ল। কংগ্ৰেছৰ সদস্যসকলে এগৰাকী জনপ্ৰতিনিধিক দিনদুপৰতে আক্ৰমণৰ ঘটনাক উদ্বেগজনক বুলি উল্লেখ কৰি বিষয়টোলৈ আলোচনা কৰাৰ দাবীত অটল হৈ থাকে। অধ্যক্ষই গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা সম্প্ৰতি সদনত অনুপস্থিত থকাৰ বাবে এই বিষয়টোক লৈ পৰৱৰ্তী সময়ত আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়।

ইপিনে, আৰক্ষীয়ে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনৰ ওপৰত কালি হোৱা আক্ৰমণত ঘটনাৰ সৈতে জড়িত ব্যক্তিসকলক চিনাক্ত কৰিছে। আক্ৰমণকাৰীসকলৰ ভিতৰত জামতোলাৰ হাৰুণ, ফাকুলিৰ হৰেশ, তামুলিতুপৰ বচীৰ, কাৰৈমাৰীৰ ৰচিদুল, গুণাবাৰীৰ আয়ুব, ৰে'ল ষ্টেচনৰ লুটকৈৰ, ৰৌমাৰীৰ খালেক, কোচগাঁৱৰ জাহাংগীৰ আছে। আৰক্ষীয়ে আইন অনুযায়ী এই অভিযুক্তসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব। এই ঘটনাক কেন্দ্ৰ কৰি আজি ৰাজ্যখনৰ বিভিন্ন স্থানত আজি কংগ্ৰেছ কৰ্মীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰাৰ বাতৰি পোৱা গৈছে।

ইফালে, আক্ৰমণৰ বলী হোৱা কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে আজি দুপৰীয়া নগাঁও সদৰ আৰক্ষী থানাত এই ঘটনা সংক্ৰান্তত এটা গোচৰ ৰুজু কৰে। গোচৰত ২২জন লোকৰ নাম উল্লেখ কৰা হৈছে।

oooooooo

দিল্লীৰ নৱনিযুক্ত মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি লোকনিৰ্মাণ বিভাগ আৰু দিল্লী জল ব'ৰ্ডৰ কাম-কাজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত ভাগ ল'ব। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীমতী গুপ্তাই কয়, যে বৈঠকত তেওঁ দিল্লী চহৰৰ পথ আৰু পানী যোগান ব্যৱস্থাৰ বৰ্তমানৰ স্থিতিৰ বিষয়েও পৰ্যালোচনা কৰিব। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত দিল্লীৰ জনসাধাৰণে তেওঁলোকৰ প্ৰাপ্য

অধিকাৰ সমূহ লাভ কৰিব। ইপিনে, পূৰ্বৰ মুখ্যমন্ত্ৰী আৰু কেবিনেট মন্ত্ৰীৰ কাৰ্যালয়ত নিয়োজিত সকলোকে বৰ্তমানৰ  চৰকাৰখনে চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। দিল্লী সচিবালয়ে জাৰি কৰা এটা নিৰ্দেশ অনুসৰি মুখ্যমন্ত্ৰী আৰু আন আন মন্ত্ৰীসকলৰ কাৰ্যালয়ৰ সাধাৰণ প্ৰশাসনীয় বিভাগৰ বাবে নতুনকৈ নিয়োগৰ প্ৰস্তাৱ দাখিল কৰা হ'ব।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অহা সোমবাৰে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ উনবিংশ কিস্তি মুকলি কৰিব। এই আঁচনিৰ অধীনত কৃষিভূমি থকা কৃষকসকলক তিনিটা সমপৰিমাণৰ কিস্তিত প্ৰতিবছৰে ৬ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। নতুন দিল্লীত আজি এখন সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে এই অনুষ্ঠানত দেশৰ ২ কোটি ৫০ লাখ কৃষকে শাৰীৰিকভাৱে বা ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিব। এই আঁচনিৰ অধীনত এতিয়ালৈকে মুঠ ৩লাখ ৪৬ হাজাৰ কোটি টকা মুকলি কৰি দিয়া হৈছে বুলি কৃষিমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

00000000

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে তামিল ভাষা আৰু সংস্কৃতিক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নৰেন্দ্ৰ মোডী চৰকাৰ বদ্ধপৰিকৰ। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনলৈ লিখা এখন পত্ৰত শ্ৰী প্ৰধানে শিক্ষাক ৰাজনীতিকৰণ নকৰিবলৈ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ স্বাৰ্থতে ৰাজনৈতিক ভাবাদৰ্শৰ উৰ্ধত থাকিবলৈ আহ্বান জনায়। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে কোনো ভাষা জাপি দিয়াৰ পোষকতা নকৰে বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে বিজেপি শাসনত নথকা ভালেমান ৰাজ্যত ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়ন কৰা হৈছে। শ্ৰী প্ৰধানে এটা ভিডিঅ' বাৰ্তাৰ জৰিয়তে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ প্ৰাথমিক উদ্দেশ্যে হৈছে শিক্ষা খণ্ডক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সৈতে চামিল কৰোৱা।

00000000

মুম্বাইৰ অপৰাধ শাখাই আজি পুৱা বুলধানা জিলাৰ দেউলগাঁৱৰাজা অঞ্চলৰ পৰা অভয় গজানন শ্বিংগে আৰু মংগেশ ৱায়ল নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। মহাৰাষ্ট্ৰৰ উপ মুখ্যমন্ত্ৰী একনাথ সিন্দেৰ বাহনত বোমা পেলোৱাৰ ভাবুকি দিয়াৰ গোচৰত লোক দুজনক গ্ৰেপ্তাৰ কৰা হৈছে।  লোক দুজনে কালি উপ মুখ্যমন্ত্ৰীগৰাকীৰ কাৰ্যালয়ৰ ই-মেইল যোগে আৰু গোৰেগাঁও তথা জে জে মাৰ্গ আৰক্ষী চকীৰ জৰিয়তে এই ভাবুকি দিছিল। অপৰাধ শাখাই লাভ কৰা প্ৰমাণৰ ভিত্তিত অভিযুক্ত দুজনক গ্ৰেপ্তাৰ কৰা হৈছে। লোক দুজনে নিজৰ অপৰাধ স্বীকাৰ কৰিছে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

00000000

দিল্লী বিধানসভাৰ তিনিদিনীয়া অধিবেশন অহা সোমবাৰে আৰম্ভ হ'ব। বিজেপিৰ নেতা বিজেন্দ্ৰ গুপ্তাই সাংবাদিকৰ আগত প্ৰকাশ কৰা অনুসৰি দিল্লী মন্ত্ৰীসভাই অহা ২৪, ২৫ আৰু ২৭ ফেব্ৰুৱাৰীত বিধানসভাৰ অধিবেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছে। তেওঁ কয়, যে অধ্যক্ষ আৰু উপ-অধ্যক্ষ নিৰ্বাচনৰ পাছতেই এই অধিবেশনৰ প্ৰথম কাৰ্যসূচীতে কেগৰ তথ্য উত্থাপন কৰা হ'ব।

00000000

প্ৰথমবাৰলৈ বহুকেইটা সামগ্ৰীৰ ৰপ্তানীৰে ভাৰতৰ কৃষি ক্ষেত্ৰই আন্তৰ্জাতিক বজাৰত অভূতপূৰ্ব সফলতা লাভ কৰিছে।কৃষি ক্ষেত্ৰত হোৱা এই সম্প্ৰসাৰণে ভাৰতৰ খেতিয়কসকলক সৱল কৰি তোলাৰ লগতে গ্ৰাম্য অৰ্থনীতি উন্নত কৰা আৰু আন্তঃৰাষ্ট্ৰীয় মানচিত্ৰত ভাৰতৰ কৃষি কৰ্মক এক সুকীয়া স্থান প্ৰদান কৰিব বুলি আশা কৰা হৈছে। প্ৰথমবাৰলৈ অষ্ট্ৰেলিয়ালৈ ৰপ্তানি কৰা বিশেষ চাংগোলা আৰু ভাগৱা ডালিমে ভাৰতৰ অৰ্থনীতি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মাইলৰ খুঁতি ৰূপে চিহ্নিত হৈছে। খনিজ পদাৰ্থ আৰু আঁহেৰে ভৰপুৰ ড্ৰেগন ফল ইতিমধ্যে লণ্ডন আৰু বাহৰেইনলৈ ৰপ্তানি কৰা হৈছে।

চাউলৰ ৰপ্তানিৰ ক্ষেত্ৰত আমেৰিকালৈ ৰপ্তানি কৰা ৰঙা চাউলে লাভ কৰা জনপ্ৰিয়তাই ইয়াৰ ৰপ্তানিৰ পথ সূচল কৰি তুলিছেছ। বিদেশী জাতৰ ফলৰ পৰা আৰম্ভ কৰি ভাৰতৰ পাৰম্পৰিক খাদ্য সম্ভাৰৰ ৰপ্তানিৰ জৰিয়তে ভাৰত চৰকাৰে আত্মনিৰ্ভৰ ভাৰত অভিযানেৰে খেতিয়কসকলক বিভিন্ন সুযোগ প্ৰদান কৰিছে আৰু ই দেশৰ অৰ্থনীতিক ক্ৰমাৎ সৱল কৰি তুলিছে।

oooooooo

আই চি চি চেম্পিয়নছ ট্ৰফীৰ আজি কৰাচীত হ'বলগীয়া গ্ৰুপ বি-ৰ এখন খেলত আফগানিস্তানে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। ভাৰতে যোৱা নিশা ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ নিজৰ প্ৰথমখন খেলত বাংলাদেশক ৬ উইকেটত পৰাস্ত কৰে।

oooooooo

সমাপ্ত